নং ঃ ২৩১/২০২১

# দৰিদ্ৰ মহিলাৰ মাইক্ৰ' ফাইনেন্সৰ ঋণ ৰেহাই দিয়াৰ উদ্দেশ্যে ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠান আৰু বেংকৰ সৈতে বুজা-বুজিৰ চুক্তি স্বাক্ষৰ কৰিলে ৰাজ্য চৰকাৰে

## ৩৮ টা ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠান আৰু বেংকে ৰাজ্য চৰকাৰৰ সৈতে স্বাক্ষৰ কৰিলে বুজা-বুজিৰ চুক্তি

## দৰিদ্ৰ জনসাধাৰণৰ অৰ্থনৈতিক কাম-কাজৰ বাবে মাইক্ৰ' ফাইনেন্সৰ সা-সুবিধা প্ৰদানৰ উদ্দেশ্যে এই আঁচনি গ্ৰহণ কৰা হৈছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৪ আগষ্ট ঃ** মাইক্ৰ' ফাইনেন্স প্ৰতিষ্ঠান (এম এফ আই)ৰ ঋণ গ্ৰহণ কৰি এই ঋণ উভতাই দিব নোৱাৰা দৰিদ্ৰ মহিলাসকলক সকাহ প্ৰদানৰ উদ্দেশ্যে প্ৰস্তুত কৰা 'অসম মাইক্ৰ' ফাইনেন্স ইনচেনটিভ এণ্ড ৰিলিফ আঁচনি-২০২১'ৰ ৰূপায়ণৰ বাবে আজি অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত ৰাজ্য চৰকাৰৰ বিত্ত বিভাগ আৰু মাইক্ৰ' ফাইনেন্স প্ৰতিষ্ঠানৰ সৈতে এক বুজা-বুজিৰ চুক্তি স্বাক্ষৰিত হয়।

এই বুজা বুজিৰ চুক্তি স্বাক্ষৰিত কৰাৰ সময়ত বিত্ত মন্ত্ৰী অজন্তা নেওগ, কৃষি মন্ত্ৰী অতুল বৰা, শিক্ষা মন্ত্ৰী ডাঃ ৰনোজ পেগু, গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহল, ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ইউ জি ব্ৰহ্ম আৰু মুখ্য সচিব জিষ্ণু বৰুৱা উপস্থিত থাকে।

সৰ্বমুঠ ৩৮ টা ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠান আৰু বেংকৰ সৈতে ৰাজ্য চৰকাৰৰ হোৱা এই বুজা-বুজিৰ চুক্তিখন ২০২৩ চনৰ ৩১ মাৰ্চ পৰ্যন্ত কাৰ্যকৰী হৈ থাকিব।

আজি বুজা-বুজিৰ চুক্তিত স্বাক্ষৰ কৰা উল্লেখনীয় ক্ষুদ্ৰ বিত্তীয় আৰু বেংক প্ৰতিষ্ঠানসমূহ হ'ল মাইক্ৰ' ফাইনেন্স ইনষ্টিটিউশ্যনচ নেটৱৰ্ক, নৰ্থ ইষ্ট স্মল ফাইনেন্স বেংক, এছ'চিয়েশ্যন অৱ স্মল ফাইনেন্স বেংক অৱ ইণ্ডিয়া, নাইটিঙ্গেল ফিনভেষ্ট প্ৰাইভেট লিমিটেড, গ্ৰামীণ ডেভলপমেন্ট এণ্ড ফাইনেন্স লিমিটেড, নৰ্থ ইষ্ট মাইক্ৰ' ফাইনেন্স এছ'চিয়েশ্যন, বন্ধন বেংক লিমিটেড, আৰোহণ ফাইনেন্সিয়েল চাৰ্ভিছেজ লিমিটেড, এইচ ডি এফ চি বেংক লিমিটেড, ফিউজন ফাইক্ৰ' ফাইনেন্স প্ৰাইভেট লিমিটেড, এল এন টি ফাইনেন্সিয়েল লিমিটেড আৰু আশীৰ্বাদ মাইক্ৰ' ফাইনেন্স লিমিটেড।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে যিসকল দৰিদ্ৰ মহিলাই ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠানৰ পৰা ঋণ গ্ৰহণ কৰি সেই ঋণ পৰিশোধ কৰিব পৰা নাছিল সেইসকল মহিলাক ঋণ ৰেহাই দিয়াৰ বাবে নিৰ্বাচনৰ পূৰ্বে দিয়া প্ৰতিশ্ৰুতি পূৰণৰ বাবে ৰাজ্য চৰকাৰৰ প্ৰথম কেবিনেট বৈঠকতে গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহলৰ অধ্যক্ষতাত এখন সমিতি গঠন কৰি দিয়া হৈছিল।

তেওঁ কয় যে নিম্ন উপাৰ্জনকাৰী আৰু দৰিদ্ৰ পৰিয়ালসমূহে ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠানৰ ঋণ গ্ৰহণ কৰি নিজৰ অৰ্থনৈতিক কাম কাজ চলাই নিব পাৰে তথা তেনে লোকক ঋণ প্ৰদান কৰা বিত্তীয় প্ৰতিষ্ঠানসমূহেও ঋণ উভতাই পোৱাৰ ক্ষেত্ৰত কোনো সমস্যাৰ সন্মুখীন হ'ব লগা নহয় সেই দিশত সন্তুলন বৰ্তাই ৰখাৰ উদ্দেশ্যৰে এই আঁচনিখন প্ৰস্তুত কৰা হৈছে। ৰাজ্যখনত ২০২১ চনৰ জুন মাহ পৰ্যন্ত ১৪ লাখ লোকে মাইক্ৰ' ফাইনেন্সৰ ঋণ গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় এই আঁচনিখন ৰূপায়ণত প্ৰায় ১২ হাজাৰ কোটি টকা ব্যয় হ'ব আৰু ইয়াৰে ৭ হাজাৰ ২০০ কোটি টকা ৰাজ্য চৰকাৰে ব্যয় কৰিব লাগিব।

মুখ্যমন্ত্ৰীয়ে কয় যে এই আঁচনিখনৰ জৰিয়তে ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়াৰ বিধি তথা উদ্যোগীক খণ্ডৰ বাবে থকা নীতি-নিৰ্দেশনা মানি চলি কাৰ্যসম্পদান কৰা বিত্তীয় প্ৰতিষ্ঠানক এই ঋণ পৰিশোধ কৰা হ'ব। তেওঁ লগতে কয় যে ঋণ গ্ৰহণকাৰীসকলে যাতে সময় মতে বেংকৰ ঋণ পৰিশোধ কৰাৰ এক মানসিকতা সূচনা হয় সেই দিশতো গুৰুত্ব প্ৰদান কৰা হৈছে।

বুজা-বুজিৰ চুক্তিৰ সবিশেষ সদৰি কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে সৰ্বাধিক তিনিটাকৈ ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠানৰ পৰা ঋণ গ্ৰহণ কৰা তথা সৰ্বোচ্চ ১.২৫ লাখ টকালৈকে ঋণ লোৱা দৰিদ্ৰ মহিলাসকলক এই আঁচনিখনৰ জৰিয়তে ৰাজ্য চৰকাৰে সকাহ প্ৰদান কৰিব। এই আঁচনিৰ সুবিধা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট ঋণ গ্ৰহণ কৰোতা জনে নিৰ্দেশাৱলীত উল্লেখ থকা যোগ্যত অথবা অযোগ্যতাৰ চৰ্তসমূহ পূৰণ কৰিব লাগিব।

মুখ্যমন্ত্ৰীয়ে লগতে কয় যে যিসকল ঋণ লওঁতাই নিয়মীয়াকৈ ঋণ পৰিশোধ কৰি আছে সেই সকলক এককালীনভাৱে সৰ্বাধিক ২৫ হাজাৰ টকাৰ উদগণিমূলক ধনৰাশি প্ৰদান কৰা হ'ব। ঠিক একেদৰে যিসকল ঋণ গ্ৰহণ কৰোঁতাৰ বিত্তীয় প্ৰতিষ্ঠানক দিবলগীয়া ধন বহু পৰিমাণে বাকী আছে, কিন্তু তেওঁলোকৰ এই একাউণ্ট এন পি এ হোৱা নাই সেইসকল ঋণ গ্ৰহণ কৰোঁতাই বিত্তীয় প্ৰতিষ্ঠানক আদায় দিবলগীয়া অতিৰিক্ত ধন ৰাশি ৰাজ্য চৰকাৰে পৰিশোধ কৰিব। তেওঁ লগতে কয় যে এনে সকলো ঋণ গ্ৰহণ কৰোতাই যাতে সময় মতে কিস্তি পৰিশোধ কৰে তাৰ বাবে উৎসাহিত কৰা হ'ব যাতে তেওঁলোকৰ বেংক একাউণ্ট সঠিক ৰূপত পৰিচালিত হৈ থাকে আৰু ঋণ প্ৰদানৰ প্ৰক্ৰিয়াটো অব্যাহত থাকে। এনে ঋণ গ্ৰহণ কৰোতাসকলক এক শৃংখলাবদ্ধ প্ৰক্ৰিয়াৰ মাজলৈ আনিবলৈ তথা ঋণৰ উচিত ব্যৱহাৰেৰে আগুৱাই যাবলৈ সৰ্বাধিক ২৫ হাজাৰ টকাৰ অথবা পৰিশোধ কৰিবলৈ বাকী থকা ধন ৰাশিৰ ভিতৰত যিটোৰ পৰিমাণ কম হ'ব সেই ধনৰাশি উদগণিমূলকভাৱে প্ৰদান কৰা হ'ব। আনহাতে যিসকল ঋণ গ্ৰস্তৰ একাউণ্টসমূহ এন পি এ হিচাপে চিহ্নিত হৈছে তেওঁলোকে ঋণ গ্ৰহণ কৰোতাৰ পৰা প্ৰমাণিকৃত নথি-পত্ৰৰে ঋণ ৰেহাইৰ সুবিধা

লাভ কৰিবলৈ আবেদন কৰিব লাগিব। চৰকাৰে বিতং পৰ্যালোচনাৰ ভিত্তিত তেনে লোকক সম্পূৰ্ণ অথবা আংশিক সকাহৰ বিষয়টো বিবেচনা কৰিব।

মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যত বহু লোকে ব্যক্তি বিশেষৰ পৰা বহু উচ্চ হাৰত ঋণ লৈ মানসিক চাপত দিন কটাবলগীয়া হৈছে। এই পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠান অথবা বেংকৰ পৰা ঋণ গ্ৰহণ কৰা প্ৰক্ৰিয়াটোক অধিক উৎসাহিত কৰিব। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ নীতি-নিয়ম সঠিকভাৱে মানি চলি ভৱিষ্যতে ঋণ প্ৰদান কৰিবলৈও মুখ্যমন্ত্ৰীয়ে ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠান আৰু বেংকসমূহক আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে ঋণ গ্ৰহণকাৰী লোকসকলকো তেওঁলোকে লোৱা ঋণৰ সঠিক ব্যৱহাৰৰ বাবেও আহ্বান জনায়।

ইয়াৰ পূৰ্বে ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠানসমূহৰ প্ৰতিনিধিসকলে ৰাজ্য চৰকাৰৰ এই পদক্ষেপক এক ঐতিহাসিক পদক্ষেপ বুলি অভিহিত কৰি মন্তব্য কৰে যে ৰাজ্যখনত ১০০ শতাংশ বিত্তীয় অন্তৰ্ভুক্তি সুনিশ্চিত কৰাৰ দিশত ইয়ে এক সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাব। অনুষ্ঠানটোত ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠান আৰু বেংকসমূহৰ হৈ আৰোহণৰ মুখ্য কাৰ্যবাহী বিষয়া মনোজ কুমাৰ নাম্বিয়াৰ, বন্ধন বেংকৰ সভাপতি কুমাৰ আশীষ আৰু এম এফ আই এমৰ মুখ্য কাৰ্যবাহী বিষয়া তথা সঞ্চালক ড° আলোক কুমাৰেও বক্তব্য প্ৰদান কৰে।

**বীঃগঃ / পুঃডেঃ**
**২৪/০৮/২০২১**